# অধ্যায় ৬ ঃ প্রত্ন অসমীয়া সাহিত্য

## অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ চর্যাপদ
৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৫ অধিক জানিবলৈ
৬.৬ অগ্রগতিৰ খতিয়ান
৬.৭ আৰ্হি প্রশ্ন

## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া লিখিত সাহিত্যৰ যে প্রথম স্বাক্ষৰ চর্যাপদ সেই বিষয়ে অৱগত হ'ব
- চর্যাপদৰ লগত সম্পর্কীত বিভিন্ন দিশ সম্পর্কে সামগ্রিকভাৱে জ্ঞান অর্জন কৰিব।

## ৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া লোকসাহিত্য সম্পর্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়টোৰ জৰিয়তে আপুনি অৱগত হ'ল যে ভাষাৰ সৃষ্টিৰ লগে লগেই লিখিত সাহিত্যৰ সৃষ্টি নহয়। বিভিন্ন মৌখিক সাহিত্যৰ সৃষ্টিৰ পৰৱর্তী সময়তহে সাহিত্যই লিখিত ৰূপ পৰিগ্রহ কৰে। অসমীয়া সাহিত্যও ইয়াৰ বাহিৰত নহয়। বিভিন্ন মৌখিক সাহিত্য সৃষ্টি হোৱাৰ পাছতহে অসমীয়া সাহিত্যতো লিখিত সাহিত্যৰ শুভাৰম্ভ ঘটিছে। এই প্রক্রিয়া আৰম্ভ হৈছে চর্যাগীত বা চর্যাপদ নামৰ একশ্রেণী সাহিত্যৰ পৰা। ইয়াক প্রত্ন অসমীয়া সাহিত্য বুলিও কোৱা যায়।

এই অধ্যায়টিত আমি এতিয়া এইকেইবিধ সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰিম। অধ্যায়টিৰ অধ্যয়নে আপোনাক অসমীয়া লিখিত সাহিত্যৰ আৰম্ভণি কাল সম্পর্কে সম্যক ধাৰণা প্রদান কৰিব।

## ৬.৩ চর্যাপদ

অসমীয়া ভাষাৰ লিখিত ৰূপৰ প্রথম চানেকি পোৱা যায় চর্যাপদবোৰত। মন কৰিবলগীয়া যে চর্যাপদসমূহ মূলতঃ বৌদ্ধ ধর্মৰ সহজযানী পন্থাৰ ধর্ম সাধনাৰ গীত। সহজযানী বৌদ্ধ সিদ্ধাচার্যসকলে ৰচনা কৰা এই গীতসমূহৰ মাজতে অসমীয়াৰ ভাষাৰ প্রথম সাহিত্যিক নিদর্শন

পোৱা গৈছে বুলি সাহিত্যৰ ইতিহাসকাৰসকলে কৈছে। এই পদবোৰৰ ৰচনাকাল অষ্টম শতিকাৰপৰা দ্বাদশ শতিকাৰ ভিতৰত বুলি পণ্ডিতসকলে অনুমান কৰিছে। এই চর্যাপদসমূহ পোন প্ৰথমবাৰৰ বাবে লোকচক্ষুৰ আগত তুলি ধৰে হৰপ্ৰসাদ শাস্ত্ৰীয়ে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে বর্তমান সময়ত সম্পন্ন হোৱা বিভিন্ন গৱেষণাৰ অন্তত চর্যাপদসমূহত অসমীয়া ভাষাৰ উপৰি বাংলা, উড়িয়া, হিন্দী, মৈথিলী আদি ভাষাৰো আদি কালৰ নিদর্শন ৰক্ষিত হৈছে বুলি প্ৰমাণিত হৈছে।

মন কৰিবলগীয়া যে পাল আৰু শালস্তম্ভ ৰাজবংশৰ ৰাজত্বকালত পুৰণি কামৰূপত শৈৱধর্মৰ সমান্তৰালভাৱে তান্ত্ৰিক ৰূপত বৌদ্ধধর্মৰ প্ৰচলন আছিল বুলি কোনো কোনো পণ্ডিতে মত প্ৰকাশ কৰা দেখা যায়। পুৰণি কামৰূপ হাজো, কামাখ্যা, শুক্লেশ্বৰ প্ৰভৃতি বিভিন্ন স্থানত প্ৰাপ্ত ভাস্কর্যসমূহ তাৰ নিদর্শন।

কামৰূপত এসময়ত তান্ত্ৰিক বৌদ্ধধর্মৰ প্ৰচলন আছিল আৰু তিব্বতী ঐতিহ্যৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে মন্তব্য কৰিছে যে সিদ্ধসকলৰ কেইবাগৰাকীও পুৰণি কামৰূপৰ লোক আছিল। চর্যাপদসমূহত প্ৰত্ন অসমীয়া ভাষাৰ নিদর্শন স্পষ্ট। পৰৱর্তী প্ৰাক্-শঙ্কৰী আৰু শঙ্কৰী যুগৰ সাহিত্যত ব্যৱহৃত ভালেমান শব্দ আৰু বৈয়াকৰণিক বৈশিষ্ট্য চর্যাপদ বা চর্যাগীতত সণ্ঢালনীভাৱে ব্যৱহৃত হৈছে।

কলিকতাৰ 'এচিয়াটিক ছ'চাইটি'ৰ পুথি সংগ্ৰহৰ কামত হৰপ্ৰসাদ শাস্ত্ৰী কেইবাবাৰো নেপাললৈ গৈছিল। ইয়াৰে ১৯০৭ চনত তৃতীয়বাৰৰ বাবে নেপাললৈ যাওঁতে তাৰে ৰাজ দৰবাৰৰ গ্ৰন্থাগাৰত সংৰক্ষিত কেইখনমান নতুন পুথি বিচাৰি পায়। তেওঁ তাৰ পৰা *চর্যাচর্যবিনিশ্চয়*, সৰোজৱ্রজৰ *দোহাকোষ*, কৃষ্ণাচার্যৰ *দোহাকোষ* আৰু *ডাকার্ণৱ* নামৰ চাৰিখন পুথি সংগ্ৰহ কৰি আনে। সেই পুথিকেইখন ১৯১৬ চনত *হাজার বছরের পুরাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা* নাম দি বঙ্গীয় সাহিত্য পৰিষদৰ দ্বাৰা প্ৰকাশ কৰি উলিয়ায়। চর্যাগীত (চর্যাপদ) নামৰ সংগ্ৰহটিৰ মূল নাম আছিল *চর্যাগীতিকোষ*। হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াক *চর্যাচর্যবিনিশ্চয়* বুলি নাম দিয়ে। সংক্ষেপে ইয়াকে বোলা হয় চর্যাপদ।



**জানি থোৱা ভাল**

চর্যাগীতৰ তিব্বতী অনুবাদৰ প্ৰথম সন্ধান লাভ কৰে সুনীতি কুমাৰ চট্টোপাধ্যায়ে। পৰৱর্তীকালত প্ৰবোধ চন্দ্ৰ বাগচী, নীলৰতন সেন আদিয়ে চর্যাপদ সম্পর্কে গৱেষণা কৰি বিভিন্ন নতুন নতুন তথ্যৰ সন্ধেদ দিয়ে। বাগচীৰ গৱেষণাৰ কালতেই চর্যাগীতৰ সম্পূর্ণ তিব্বতী অনুবাদটি আৱিষ্কৃত হয় আৰু তাৰ পৰাই সংস্কৃত টীকাকাৰৰ নাম যে মুনিদত্ত আছিল সেয়া গম পোৱা যায়।

এই *চর্যাচর্যবিনিশ্চয়* নামৰ পুথিখনত ৪৬ টা সম্পূর্ণ আৰু এটা খণ্ডিত গীত সন্নিৱিষ্ট হৈছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই পুথিখনত ৫০ টা চর্যা সংকলিত হৈছে বুলি উল্লেখ আছে যদিও ২৪, ২৫ আৰু ৪৮ নম্বৰ চর্যা থকা পাতকেইখিলা নষ্ট হৈছে আৰু ২৩ নম্বৰ চর্যাটোও

আংশিকভাৱে নষ্ট হৈছে। এই পুথিখনত সর্বমুঠ ২৪জন সিদ্ধাচার্যৰ দ্বাৰা ৰচিত গীত সন্নিৱিষ্ট হৈছে। উল্লেখ্য যে এওঁলোক ৮৪জন তান্ত্রিক সিদ্ধাচার্যৰ অন্তর্ভুক্ত। তেওঁলোকৰ নামসমূহ হ'ল— কাহ্নপাদ (১৩টা চর্যা), ভুসুকপাদ (৮টা), সৰহপাদ, (৪টা), কুক্কুৰীপাদ, (৩টা), লুইপাদ, শৱৰপাদ, শান্তিপাদ (এইসকলৰ দুটা), বিৰুৱাপাদ, গুণ্ডৰীপাদ, চাটিল্লপাদ, কম্বলাম্বৰপাদ, ডোম্বীপাদ, মহীধৰপাদ, বীণাপাদ, আর্যদেৱপাদ, ঢেণ্ঢনপাদ, দাৰিকপাদ, ভাদেপাদ, তাড়কপাদ, কংকনপাদ, জয়নন্দীপাদ, ধামপাদ, তন্ত্রীপাদ (তেওঁলোকৰ এটাকৈ চর্যা)। ইয়াৰে লুইপাদ, সৰহপাদ, মীননাথ, শান্তিপাদ, ডোম্বীপাদ, ঢেণ্ঢনপাদ, মহীধৰপাদ আদিক কামৰূপৰ লগত বিশেষ সম্পর্ক থকা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিব খোজে। এওঁলোকৰ বাহিৰেও চর্যাপদ, ইউড়ীপাদ, মীননাথ, আচার্য বিনাত্তক, ধোকৰীপাদ, বিৰুপাক্ষপাদ, তিলোপাদ আদি সিদ্ধাচার্যৰ নামো টীকাত উল্লেখ আছে।

বাঙালী পণ্ডিত কেইজনমানে চর্যাপদবোৰৰ ভাষা কেৱল বাংলা ভাষাৰ আদি নিদর্শন বুলি ক'লেও বর্তমানে প্রমাণ পোৱা গৈছে যে চর্যাপদত বাংলাৰ উপৰি হিন্দী, উড়িয়া, মৈথেলী, অসমীয়া আদি ভাষাৰো নিদর্শন আছে। বাণীকান্ত কাকতিয়ে ইয়াৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশসমূহ ফঁহিয়াই অসমীয়া ভাষাৰ লগত যে মিল আছে সেয়া প্রমাণ কৰি গৈছে। লগতে লুইপাদ, সৰহপাদ আদিৰ দ্বাৰা ৰচিত চর্যাপদকেইটিত অসমীয়া ভাষাৰ আদি নিদর্শন সুস্পষ্ট।

চর্যাপদবোৰৰ বিষয়বস্তু সাঁথৰৰ দৰে ৰহস্যপূর্ণ আৰু জটিল। ইয়াত সাধনতত্ত্বৰ কথা সাংকেতিক ভাষাত লিখা হৈছে। সেইকাৰণে হৰপ্রসাদ শাস্ত্রীয়ে চর্যাপদৰ ভাষাক 'সন্ধ্যাভাষা' বা 'আলো-আঁধারি ভাষা' বুলি কৈছে। গুৰুৰ সহায় নল'লে চর্যাপদবোৰৰ মর্ম উদঘাটন কৰা টান। তেওঁ মন্তব্য কৰিছে — 'সন্ধ্যাভাষা মানে আলো-আঁধাৰি ভাষা, কতক আলো, কতক অন্ধকার, খানিক বুঝা যায়, খানিক বুঝা যায় না।' প্রাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগেও মন্তব্য কৰিছে "... ইচ্ছাকৃত জটিলতা বর্তমান, কাৰণ সেই ভাষা সাংকেতিক, যাৰে তাৰে বাবে নহয়, সি বোবা গুৰুৰে কলা শিষ্যক (গুৰু বোব সে সীস কাল) বুজোৱা কিছুমান ইংগিত মাত্র।" সেয়েহে প্রথম চর্যাতেই গুৰুৰ সহায় ল'বলৈ উপদেশ দিয়া হৈছে — "লুই ভণই গুৰু পুচ্ছিঅ জান।।"

চর্যাপদসমূহ অধিকাংশই দহ শাৰীয়া; তাৰে ভিতৰত ১০,২৮, ৫০ নং চর্যা চৈধ্য শাৰীৰ; ২১, ২২ বাৰ শাৰীৰ; ৩৯ নং ঊনৈশ শাৰীৰ; ১৪ নংটি সাত শাৰীৰ; ২৩ নং ছয় শাৰীৰ; ২৫ নম্বৰটিৰ চাৰিটা শাৰীৰ নমুনাত ছয়টামান শব্দ আছে আৰু ২৪, ৪৮ নম্বৰ চর্যা দুটি লুপ্ত। সাধাৰণতে মাত্রাবৃত্ত ছন্দত লিখা চর্যাসমূহত অন্ত্যানুপ্রাসৰ প্রয়োগ বহুল। এই গীতসমূহ গাবৰ বাবে নির্ধাৰণ কৰি দিয়া হৈছে সর্বমুঠ ১৭টি ৰাগ— পটমঞ্জৰী, গৱড়া (গউড়া), অৰু, গুঞ্জৰী, দেৱক্রী, দেশাখ (দ্বেশাখ), ভৈৰৱী, কামোদ, ধনসী, ৰামক্রী, বৰাড়ী (বলাড্ডী), শৱৰী, মল্লাৰী, মালশী গবুড়া, কাহ্নগুঞ্জৰী আৰু বঙ্গাল। ইয়াৰে প্রায়বোৰেই পুৰণি অসমীয়া গীতত পোৱা যায়। বৰগীতৰ দৰে চর্যাটো ভণিতা আছে আৰু প্রত্যেক পদৰ দ্বিতীয় চৰণটোত ধ্রুং বা ধ্রুৱ বুলি নির্দেশ কৰা হৈছে।

চর্যাপদত মূলতঃ দার্শনিক তত্ত্ব আলোচিত হৈছে। মাজে মাজে যোগ আৰু তান্ত্রিক মতবাদবোৰো উল্লেখ আছে। মায়া বা অবিদ্যাই হৈছে জীৱৰ দুখৰ কাৰণ। আত্মাজ্ঞান লাভ কৰিব পাৰিলেই জীৱই মুক্তি বা নির্বাণ লাভ কৰিব পাৰে। নির্বাণৰ অর্থ বাসনাৰ নিবৃত্তি বা অহংভাবৰ

বিলোপ সাধন। নির্বাণ সুখময়; ই সংসাৰৰ দুখ নাশ কৰে। এই সুখবাদৰ ওপৰতে সহজীয়াসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছে। নির্বাণ মহাসুখত নিমজ্জিত হোৱাই সাধনা তত্ত্বৰ চৰম লক্ষ্য। বহু চর্যাত তাৰ উল্লেখ আছে — "দিঢ় কৰিঅ মহাসুহ পৰিমাণ। / লুই ভণই গুৰু পুচ্ছিঅ জান।।"

সহজীয়াসকলে যোগ বা তান্ত্রিকতাৰ সহায়ত সাধন সম্ভৰ বুলি মানি লৈছিল। সেয়েহে অধিকাংশ চর্যাপদত দার্শনিক তত্ত্বৰ আলোচনা থাকিলেও কিছুমানত তন্ত্র আৰু যোগৰ কথাও উল্লিখিত হৈছে। চর্যাপদৰ বিষয়বস্তু বা গভীৰ তত্ত্বমূলক কথাবোৰ ব্যৱহাৰিক জীৱনত সদায় দেখি থকা বা উপলব্ধি কৰা চিত্রৰ যোগেদি বুজোৱা হৈছে। ফলত ইয়াৰ ভাষা প্রতীকধর্মী হৈ পৰিছে। গীতবোৰত ওপৰে ওপৰে ওলাই থকা অর্থৰ উপৰি আৰু একোটি অন্তর্নিহিত অর্থ থাকে, সেইটোহে তাৰ আচল অর্থ। যেনে— "কাআ তৰুবৰ পঞ্চ বি ডাল।", ইয়াত কাআ (কায়া) অর্থাৎ শৰীৰক গছ আৰু পঞ্চইন্দ্রিয়ক পঞ্চডালৰ লগত তুলনা কৰিছে। ভাষাৰ এনে গূঢ়ার্থলৈ চাই চর্যাপদবোৰক অসমীয়া 'ভকতীয়া ফকৰা' বা 'দেহবিচাৰৰ গীত' বা 'বৰগীত'ৰ লগতহে তুলনা কৰিব পাৰি। কিছুমান চর্যাপদত কপাহ ধুনা, মাছ মৰা, কাপোৰ বোৱা আদি দৈনন্দিন কর্ম বা ঘৰুৱা চিত্রক ৰূপক হিচাপে ব্যৱহাৰ কৰি ধর্মতত্ত্ব ব্যাখ্যা কৰা হৈছে। ৰূপকধর্মী হোৱাত চর্যাপদবোৰত সাহিত্যিক সৌন্দর্য স্পষ্ট হৈ উঠিছে।

চর্যাপদসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াত ভোগতকৈ ত্যাগৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। যোগ সাধনাৰ মহত্ব বর্ণনা কৰিবলৈ গৈ সাধকসকলে মানৱ জীৱনৰ স্বাভাৱিক ভোগতৃষ্ণা পৰিহাৰ কৰি নিৰাসক্ত ভোগ-বৈৰাগ্য প্রদর্শন কৰিছে। চর্যাকাৰসকলৰ কৰুণ জীৱনৰ সজ্ঞান নির্লিপ্ততা আৰু জীৱনৰ ৰূপতৃষ্ণা এই গীতসমূহৰ মাজেদি প্রতিভাত হৈ উঠিছে। চর্যাগীতত ভালেমান ঠাইত 'যোগিনী' শব্দৰ উল্লেখ আছে। কিন্তু, যোগিনী শব্দৰ প্রয়োগ ব্যৱহাৰিক অর্থত নহৈ সম্পূর্ণ তাত্ত্বিক অর্থতহে হোৱা বুলিব পাৰি। ১৯নং চর্যাত ডোম্বীৰূপিনী নৈৰাত্মাৰ সৈতে মিলনৰ জৰিয়তে নির্বাণ প্রাপ্তিৰ প্রচেষ্টা চলোৱা দেখা গৈছে। চর্যাটিত বিবাহৰ ৰূপক হিচাপে লৈ ধর্মীয় তত্ত্ব ব্যাখ্যা কৰাৰ প্রয়াস কৰা হৈছে।

দ্বাদশ শতিকাৰ ভিতৰত ৰচিত হৈছিল আৰু সেই সময়ত পাল আৰু শালস্তম্ভ বংশৰ ৰজাসকলে কামৰূপত শাসন কৰিছিল। এই সময়তেই পুৰণি কামৰূপ তান্ত্রিক বৌদ্ধমতে প্রচাৰ লাভ কৰে বুলি অনুমান কৰা হৈছে। তিব্বতৰ ঐতিহ্যৰ ওপৰত ভিত্তি কৰি পণ্ডিতসকলে মন্তব্য কৰিছে যে বৌদ্ধ সিদ্ধাচার্য্যসকলৰ ভিতৰত কেইবাগৰাকীও কামৰূপৰ লোক আছিল। পুৰণি কামৰূপৰ সৈতে দাঁতি-কাষৰীয়া তিব্বত আৰু নেপালৰ ধর্মীয় আৰু সাংস্কৃতিক সম্পর্ক আছিল আৰু সেয়ে পৰস্পৰৰ মাজত জ্ঞান-বিদ্যা প্রভৃতি বিষয়ক যোগসূত্র স্থাপিত হৈছিল।

বৌদ্ধধর্ম আছিল যুক্তিৰ ওপৰত প্রতিষ্ঠিত ধর্ম। সেয়ে বৌদ্ধধর্মত যুক্তিৰে প্রমাণ কৰিব নোৱাৰি আত্মা ঈশ্বৰ, পুনর্জন্ম আদিৰ স্থান নাছিল। অৱশ্যে পৰৱর্তী কালত বৌদ্ধধর্মত জন্মান্তৰবাদে প্রৱেশ লাভ কৰে। বৌদ্ধধর্মত নির্বাণ লাভ কৰিবৰ কাৰণে সন্ন্যাস, ধ্যান আৰু কেতবোৰ কঠোৰ নীতি-নিয়ম পালন কৰাটো আছিল বাধ্যতামূলক। পৰৱর্তী বৌদ্ধ সন্ন্যাসীসকলে সোনকালে নির্বাণ লাভ কৰিবৰ কাৰণে নানা ধৰণৰ চমু উপায়ৰ সৃষ্টি কৰিলে আৰু তাৰ পৰাই মন্ত্র, ধাৰণী

আদিৰ সৃষ্টি হ'ল। লাহে লাহে যুক্তিপ্রধান বৌদ্ধধর্মত যুক্তিহীন আচাৰে প্রাধান্য লাভ কৰিলে।

বুদ্ধদেৱে ধর্মৰ নামত চলা ব্যাভিচাৰসমূহ দূৰ কৰিবৰ কাৰণে বৌদ্ধধর্মত কঠোৰ সংযম আৰু পঞ্চশীল নীতিক ঠাই দিছিল। পূর্ণ-ব্রহ্মচর্য্যৰ ওপৰত প্রতিষ্ঠিত এই ধর্মত পঞ্চমকাৰ নিষিদ্ধ কৰা হৈছিল। কিন্তু তান্ত্রিক বৌদ্ধসকলে নির্বাণৰ নামত পঞ্চমকাৰ বৌদ্ধধর্মত স্থান দি বৌদ্ধধর্মক সম্পূর্ণ গুৰুত্বহীন কৰি পেলালে। তান্ত্রিক আচাৰ অতি গোপনীয় আছিল আৰু ই উদ্ভৱ কালৰ পৰাই প্রায় তিনিশ বছৰ অতি গোপনে গুৰু পৰম্পৰা ৰূপত চলি আহিছিল। এই মত প্রচাৰত চৌৰাশীজন সিদ্ধাচার্য্যই বিশেষ ভূমিকা গ্রহণ কৰিছিল। এই সিদ্ধসকল খ্রীষ্টিয় সপ্তম, অষ্টম আৰু নৱম শতিকাৰ লোক আছিল। এওঁলোকে ৰচনা কৰা গীতবোৰ ভাষাত ৰচিত আৰু প্রহেলিকাময় অর্থৰে পৰিপূর্ণ। আমাৰ বোধেৰে এইবোৰ কামৰূপী অপভ্রংশত ৰচিত।

বজ্রযানৰ উদ্ভৱ হয় তৃতীয় শতিকাত। এই শতিকাত মৈত্রেয়নাথে আৰম্ভ কৰা মহাযান বৌদ্ধধর্মৰ যোগাচাৰ দর্শনৰ পৰাই পোনপটীয়াকৈ বজ্রযানৰ উদ্ভৱ হৈছে। এই দর্শন অনুসৰি বাহ্যিক জগতখন অস্তিত্বহীন আৰু মূলতঃ মনৰ সৃষ্টি। দৰাচলতে পার্থিৱ বস্তুবোৰ সপোন সদৃশ আৰু ক্ষণস্থায়ী। নির্বাণ অবিহনে পুনর্জন্মৰ হাত সৰাটো সম্ভৱ নহয়।

ভৱ হ'ল দুঃখময় আৰু তাৰ নিবৃত্তিয়েই নির্বাণ, গতিকে নির্বাণ সুখময়। এই সুখবাদৰ ওপৰতে সহজযানীসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছে।

মন কৰিবলগীয়া যে চর্যাপদবোৰৰ মাজেৰে সমসাময়িক অসমীয়া সমাজখনৰ বিভিন্ন চিত্রও প্রতিফলিত হৈছে। চর্যাপদ ৰচনাৰ সময়তো দেশত জাতি-ভেদ প্রথা আছিল। নীচ জাতিৰ লোকে উচ্চ জাতিৰ লোকক স্পর্শ কৰাটো গর্হিত কাম বুলি গণ্য কৰা হৈছিল। নৃত্যপৰায়ণা আছিল কাৰণে ডুমুনী, শবৰী আদি তিৰোতাসকলেও ব্রাহ্মণ কুলত ওপজা পুৰুষৰ মন মুগ্ধ কৰিবলৈ সমর্থ হৈছিল। এটি ৰূপাত্মক গীতত কৈছে —

নগৰ বাহিৰি ৰে ডোম্বি তোহাৰি কুড়িআ।
ছোই ছোই জাই সোহ ব্রাহ্মণ নাড়িআ।।

তেনেদৰে অসবর্ণ বিবাহ, যৌতুক ব্যৱস্থা, চৌর্যবৃত্তি, বিবিধ বাদ্যযন্ত্র, হাতী, গৰুৰ গাড়ী, নাও আদিৰ ব্যৱহাৰ, চিকিৎসা-পদ্ধতি, তাঁতশালত কাপোৰ বোৱা, তামোল-পাণৰ ব্যৱহাৰ, চিকাৰ প্রথা আদি বিবিধ সামাজিক চিত্র চর্যাপদৰ মাজেৰে প্রতিফলিত হৈছে। এই চর্যাপদবোৰ অপভ্রংশৰ শেষস্তৰৰ নিদর্শন; অর্থাৎ ই মধ্য আৰু নব্য ভাৰতীয় আর্যভাষাৰ যুগসন্ধিৰ ভাষা। সেয়েহে ইয়াত প্রাকৃত আৰু আধুনিক— এই দুয়োবিধ ভাষাৰ নিদর্শন পোৱা যায়।

- **বচন ঃ** উদ্ভৱকালীন অসমীয়া ভাষাৰ বিশেষ্য পদবোৰ সাধাৰণতে বচন নিৰপেক্ষ আৰু ই এটাক বুজালে একবচন ৰূপ আৰু দুটা বা ততোধিক বুজালে বহুবচন ৰূপ লয়।

ধমন চমন বেণি পাত্তি বইঠা। (চ-১)
চান্দসুজ্জ বেণি পখা ফাল। (চ-৪)
চন্দ-সুজ্জ দুই চকা। (চ-১৪)
এক সে গুণ্ডিনী। (চ-৩০১)

বতিস জোইনী। (চ-২৭০১)

আগত সংখ্যাবাচক শব্দ যোগ দি। যেনে—

পঞ্চ বি ডাল (চ-১১)

তিনি ভুঅণ। (চ-১৮)

আগত বা পাছত সমষ্টিবাচক বিশেষ্য যোগ দি, যেনে—

লোঅ ঃ পাৰাগামিলোঅ (চ-৫)

বিন্দজনলোঅ। (চ-১৮)

দ্বিৰুক্তিৰ দ্বাৰা বহুবচন অর্থ ব্যক্ত কৰি—

ৰাআ-ৰাআ। (চ-৩৪)

দ্বিৰুক্ত বিশেষণ শব্দ আগত যোগ দি, যেনে—

উচাঁ পাবত। (চ-২৮)

বহুবচনৰ অর্থ প্রকাশক বিশেষণ শব্দ যোগ দি, যেনে—

নানা তৰুবৰ। (চ-২৮)

বহুবিধ খেড়া। (চ-৪১)

- **লিঙ্গ ঃ** প্রাচীন ভাৰতীয় আর্য্যভাষাত বিশেষ্য বিশেষণ আৰু প্রথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে অন্যান্য সর্বনামত লিঙ্গভেদ আছিল। যেনে— অয়ম (পুংলিঙ্গ), ইয়ং (স্ত্রীলিঙ্গ) ইদম্ (ক্লীৱলিঙ্গ)।

চর্যাপদত উদ্ভৱকালীন অসময়ীয়া ভাষাৰ লিঙ্গভেদৰ বৈশিষ্ট্য দেখা যায়। পুৰুষ আৰু স্ত্রী বুজোৱা পৃথক বিশেষ্য পদ প্রয়োগৰ যোগেদি—

নৰ, নাৰী

বলদ, গবিআ

সুসুৰা, শাসু

ভতাৰ।ইত্যাদি।

প্রত্যয় যোগত লিঙ্গভেদ। যেনে—

| পুংলিঙ্গ | স্ত্রীলিঙ্গ |
|---|---|
| কৰিণা (চ-৯) | কৰিণি (চ-৯) |
| ষিসালা (চ-৩৩) | শাসু (চ-৫০) |
| হৰিণা (চ-৬) | হৰিণী (চ-৬) |
| শবৰা (চ-৫০) | শবৰী (চ-৫০) |

প্রাণী আৰু অপ্রাণী বাচক বিশেষ্যৰ পিছত প্রত্যয় যোগ দি। যেনে—

স্ত্রীলিঙ্গ

জোইণী (চ-২৭), শুণ্ডিনী (চ-৩)

- অকল স্ত্রীবাচক শব্দ প্রয়োগৰ দ্বাৰা। যেনে—
  বান্ধি- (চ-৪১)
- লিঙ্গ নিৰপেক্ষ ৰূপৰ যোগদি। যেনে—
  কুম্ভীৰৰ- (চ-২), সাপ (চ-৪১), সগুণ (চ-৫০)

- **বিশেষণ পদৰ প্রয়োগ ঃ** উদ্ভৱকালীন অসমীয়া ভাষাত পদৰ আগত বা পাছত বিশেষণ পদৰ প্রয়োগ ঘটা দেখা যায়। যেনে—

  বিশেষ্য পদৰ পদৰ আগত—

  উজুবাট (চ-১৫), উজোলি চান্দে (চ-৩০)
  উমত সবৰো, (চ-২৮), কলা মুষা (চ-২১)
  চঞ্চল চীএ (চ-১), দুঠ বলন্দেঁ (চ-৩৯)
  নানা তৰুবৰ (চ-২৮), পাগল সবৰো (চ-২৮)
  বহল বাট (চ-২৬), ইত্যাদি।

  বিশেষ্য পদৰ পাছত—

  এ ভব থিৰা (চ-২০), ডোম্বী বাপুড়ী (চ-১০)

  কেতিয়াবা বিশেষ্য পদৰ উল্লেখ নকৰাকৈ বিশেষণ পদৰ দ্বাৰা বিশেষ্যৰ বোধ হ'ব পাৰে। যেনে—

  উজুৰে উজু মা চাড়ি মা লেহুৰে বল (চ-৩২)
  উদক-চান্দ জিম যাচ ন মিচ্ছা (চ-২৯)
  ডোম্বীত আগলি নাহি চ্ছিণালী।

- **নির্দিষ্টতাবাচক প্রত্যয় ঃ** বিশেষ্য আৰু সংখ্যাবাচক শব্দৰ পিছত উদ্ভৱকালীন অসমীয়া ভাষাত কেইটামান নির্দিষ্টতাবাচক প্রত্যয় যোগ হোৱা দেখা যায়। যেনে—

  জণ/জন ঃ কুলিণজন
  বিদুজন
  জণা/জনা ঃ পাঞ্চ জনা

- **কাৰক আৰু শব্দবিভক্তি ঃ**

  কর্তা ঃ চঞ্চল চীএ পইঠো কাল। (চ-১)
  কর্ম ঃ অমিঅ ভখম মুষা। (চ-২১)
  মতিএঁ ঠাকুৰৰ পৰিনিবিত্তা। (চ-১২)
  কাৰণ ঃ কুঠাৰেঁ ছিজঅ। (চ-৪৫)
  বিন্ধ নিঅ মনে বহা (চ-২৮)
  আধিকৰণ ঃ দিৱসই বহুড়ী কাড়ই ভৰে ভাঅ। (চ-২)
  হাড়ীত ভাত নাহি । (চ-৩৩)
  অপাদান ঃ কুলেঁ কুল মা হোই। (চ-১৫)

সম্বন্ধ ঃ খনহ ন ছাড়অ। (চ-৬)
এড়িএউ ছান্দক বান্ধ (চ-১)
ৰুখেৰ তেন্তেলি (চ-৬)
হৰিণীৰ নিলঅ (চ-৬) ইত্যাদি।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক —

ক) *চৰ্যাচৰ্যবিনিশ্চয়ত* সৰ্বমুঠ ৮৪ টা সম্পূৰ্ণ আৰু এটা খণ্ডিত দোহা আছে।

খ) চৰ্যাপদসমূহত মূলতঃ দাৰ্শনিক তত্ত্ব আলোচিত হৈছে।

.....

**প্ৰশ্ন নং ২ ঃ** শুদ্ধ উত্তৰটি বাছি উলিয়াওক —

i) চৰ্যাপদসমূহ নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা সংগ্ৰহ কৰিছিল—

(ক) হৰপ্ৰসাদ শাস্ত্ৰীয়ে (খ) বাণীকান্ত কাকতিয়ে (গ) নীলৰতন সেনে

ii ) কোনখন পুথি নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা সংগ্ৰহ কৰা নহয়—

(ক) *চৰ্যাচৰ্যবিনিশ্চয়* (খ) সৰোজবজ্ৰৰ *দোহাকোষ* (গ) *ডাকাৰ্ণৱ* (ঘ) *শূন্যপুৰাণ*

.....

**প্ৰশ্ন নং ৩ ঃ** চৰ্যাপদত অসমীয়া ভাষাৰ কি কি নিদৰ্শন পোৱা যায়? (৬০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

.....



## ৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ লিখিত ৰূপৰ প্ৰথম চানেকি পোৱা যায় চৰ্যাপদসমূহত। চৰ্যাপদসমূহ মূলতঃ বৌদ্ধ ধৰ্মৰ সহজযানী পন্থাৰ ধৰ্ম সাধনাৰ গীত। সহজযানী বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা

কৰা এই গীতসমূহৰ মাজতে অসমীয়াৰ ভাষাৰ প্রথম সাহিত্যিক নিদর্শন পোৱা গৈছে বুলি সাহিত্যৰ ইতিহাসকাৰসকলে কৈছে। এই পদবোৰৰ ৰচনাকাল অষ্টম শতিকাৰপৰা দ্বাদশ শতিকাৰ ভিতৰত বুলি পণ্ডিতসকলে অনুমান কৰিছে।

- অধ্যায়টিত চর্যাপদৰ লগত সম্পর্কিত বিভিন্ন দিশ সম্পর্কে বহলাই আলোচনা কৰা হ'ল। অধ্যায়টিত অধ্যয়নে আপোনাক চর্যাপদৰ বিষয়ে সামগ্রিক ধাৰণা প্রদান কৰিব।



## ৬.৫ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্রনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৪) হাজৰিকা, পৰীক্ষিত (১৯৮৭); *চর্য্যাপদ;* গুৱাহাটী ঃ ডালিমী প্রকাশ।

৫) হাজৰিকা, বিশ্বেশ্বৰ (অনুবাদ, ২০০২); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ* (Banikanta Kakati: *Assamese : Its Formation and Development*); গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৬) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।



## ৬.৬ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰ ঃ** গ) অশুদ্ধ ঘ) শুদ্ধ

**২ নং প্রশ্নৰ উত্তৰ ঃ** i) (ক) ii) (ঘ)

**৩ নং প্রশ্নৰ উত্তৰ ঃ** চর্যাপদত অসমীয়া ভাষাৰ নিদর্শন থকা কেইটিমান দিশ হ'ল— (৪) 'ঋ'ৰ ঠাইত 'অ' আৰু 'উ'ৰ ব্যৱহাৰ; যেনে—ঋজু - উজু (২) বিশেষণ দুবাৰ প্রয়োগ কৰি বহুবচন সৃষ্টি; যেনে — উচা উচা পাবত। (৩) স্ত্রীলিংগৰ ক্ষেত্রত স্ত্রীপ্রত্যয় '-ঈ' আৰু '-নী'ৰ প্রয়োগ ; যেনে— বাপুড়ী, মালী আদি। ইয়াৰ উপৰি কিছুমান অতি ঘৰুৱা

অসমীয়া শব্দও চর্যাপদত ব্যৱহৃত হৈছে। যেনে— আজি, কুঠাৰ, ঘৰণী, দাপন, ঘৰ, বহল আদি।



## ৬.৭ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** চর্যাপদত কোন কোন ভাষাৰ প্ৰত্ন ৰূপ সংৰক্ষিত হৈছে?

**প্ৰশ্ন ২ ঃ** চর্যাপদসমূহ কোনে উদ্ধাৰ কৰিছিল?

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** চর্যাপদৰ বিষয়বস্তু সম্পর্কে এটি টোকা লিখক।

**প্ৰশ্ন ২ ঃ** চর্যাপদৰ বচন সম্পর্কে এটি আলচ যুগুত কৰক।

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** চর্যাপদসমূহৰ বিষয়বস্তুৰ আভাস দি ইয়াৰ দার্শনিক তত্ত্ব সম্পর্কে বহলাই আলোচনা কৰক।

**প্ৰশ্ন ২ ঃ** চর্যপদৰ ব্যাকৰণগত দিশ সম্পর্কে এটি নিবন্ধ লিখক।

*** ***** ***